# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-10-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

-------------------

১। ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মুখ্যমন্ত্ৰীৰ লোকসেৱক আৰোগ্য যোজনা আঁচনি মুকলি।

২। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ আই টিত বিভিন্নজনৰ সাক্ষ্য প্ৰদান। ব্ৰহ্মপুত্ৰত শিল্পীগৰাকীৰ চিতাভস্ম বিসৰ্জন।

৩। ৰাজ্যৰ এহেজাৰ ৯৩৬ খন বিদ্যালয়ত ভূমিকম্প আৰু অগ্নি সুৰক্ষা বিষয়ক মকড্ৰিল কাৰ্যসূচী।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ পূৰ্ণ প্ৰস্তুতি।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গুৱাহাটীত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ইংলেণ্ডক জয়ৰ বাবে দক্ষিণ আফ্ৰিকাৰ ৩২০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনা আঁচনি আনুষ্ঠানিকভাৱে মুকলি কৰে। আয়ুষ্মান অসম মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনাৰ অধীনত ৰাজ্য চৰকাৰৰ কৰ্মচাৰী, পেঞ্চনাৰ আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালৰ সদস্যসকলে নগদবিহীন চিকিৎসা সেৱা লাভ কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানতে ৰাজ্যিক কৰ্মচাৰীসকলক নতুন স্বাস্থ্য বীমা আঁচনিখনৰ হেল্থ কাৰ্ডো বিতৰণ কৰে। তদুপৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই একেটা অনুষ্ঠানতে আয়ুষ্মান অসম মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনাৰ ডিজিটেল সংবাদপত্ৰখনো উন্মোচন কৰে।

বাইট ঃ মুখ্যমন্ত্ৰী

অনুষ্ঠানটোত মুখ্য সচিবকে ধৰি অসম চৰকাৰৰ কেইবাগৰাকী জ্যেষ্ঠ বিষয়া আৰু বিভিন্ন চিকিৎসালয়ৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। একেদৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি লোকসেৱা ভৱনত অনুষ্ঠিত আন এখন বৈঠকত অধ্যক্ষতা কৰি শিক্ষা, স্বাস্থ্য, আৰক্ষী, অসম লোকসেৱা আয়োগকে ধৰি বিভিন্ন বিভাগৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি বোৰ্ডৰ জৰিয়তে প্ৰায় ২৫ হাজাৰ নিৰ্বাচিত প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণ কৰাৰ সন্দৰ্ভতো আলোচনা কৰে। নৱেম্বৰৰ শেষৰ ফালে আৰু ডিচেম্বৰৰ প্ৰথম সপ্তাহত নিযুক্তি পত্ৰ বিতৰণ কাৰ্যসূচী সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিছে। ড° শৰ্মাই মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আৰু মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণ আঁচনিৰ প্ৰস্তুতি সন্দৰ্ভতো আজি আন এখন বৈঠকত পৰ্যালোচনা কৰে।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত শদিয়া বিধানসভা সমষ্টিৰ ২৭ হাজাৰ ৫৭৩ গৰাকী আত্মসহায়ক গোটৰ হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰিব। এই উপলক্ষে শদিয়াৰ চপাখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত

মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক উদ্দেশি ভাষণ দিব। ড° শৰ্মাই পৰহিলৈ ডুমডুমা বিধানসভা সমষ্টিৰ হিতাধিকাৰীসকলৰ মাজত উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰিব।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিশেষ তদন্তকাৰী দল এছ আই টিয়ে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ কৰিছে বুলি প্ৰকাশ কৰিছে। সংবাদ মাধ্যমৰ আগত এইকথা প্ৰকাশ কৰি ড০ শৰ্মাই কয়, যে অতি সোনকালেই অভিযোগনামা আদালতত দাখিল কৰা হ'ব। বিশেষ তদন্ত গোটৰ মুৰববী মুন্না প্ৰসাদ গুপ্তাই আজি সংবাদমাধ্যমৰ আগত কয় যে সম্প্ৰতি তদন্ত প্ৰক্ৰিয়া সঠিক দিশত আগবাঢ়ি আছে। এই পৰ্যন্ত ৯০ জনতকৈ অধিক লোকৰ সাক্ষ্য গ্ৰহণ কৰা হৈছে বুলি তেঁও প্ৰকাশ কৰিছে। বিষয়টোৰ তদন্তৰ বাবে আৰু ভালেসংখ্যক লোকৰ মতামত লোৱা হ'ব বুলিও তদন্তকাৰী বিষয়াগৰাকীয়ে উল্লেখ কৰিছে। তদন্তত কি আছে নাজানো বুলি মন্তব্য কৰি তদন্ত প্ৰক্ৰিয়া অতি সোনকালে শেষ কৰা হব বুলি তেওঁ সদৰি কৰিছে।

বাইট

ইপিনে আজি গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ কাচমাৰী ঘাটত শিল্পী জুবিন গাৰ্গৰ চিতাভস্ম বিসৰ্জন দিয়া হয়। চিতাভস্ম বিসৰ্জনৰ সময়ত শিল্পীগৰাকীৰ পত্নী গৰিমা গাৰ্গ যথেষ্ট আবেগিক হৈ পৰে। যোৰহাটতো আজি অৰুণ গাৰ্গে জুবিন গাৰ্গৰ চিতাভস্ম বিসৰ্জন দিয়ে। এছ ডি আৰ এফে চিতাভস্ম দিয়া কাৰ্য তদাৰক কৰে।

উল্লেখযোগ্য যে তদন্তৰ অংশ হিচাপে আজি গুৱাহাটীৰ উলুবাৰীৰ অপৰাধ অনুসন্ধান বিভাগৰ কাৰ্যালয়ত মঙলদৈ ৰঙালী বিহু সন্মিলন, লখিমপুৰৰ ঘিলামৰা কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনকে ধৰি ৪ খন ৰঙালী বিহু সন্মিলনৰ বিষয়ববীয়াই তদন্তকাৰী গোটক সাক্ষ্য প্ৰদান কৰে।

যোৱা নিশা জুবিনক্ষেত্ৰত গৰিমা শইকীয়া গাৰ্গ উপস্থিত হৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে পৰহিলৈ মুক্তি পাবলগীয়া জুবিন গাৰ্গৰ বহু প্ৰত্যাশিত ছবি **ৰৈ ৰৈ বিনালে** সন্দৰ্ভতো মন্তব্য কৰে। তেওঁ উল্লেখ কৰে যে **ৰৈ ৰৈ বিনালে** ছবিখন জুবিন গাৰ্গৰ নহয়, এয়া অসমবাসীৰ সপোন। জুবিন গাৰ্গৰ সপোনক বাস্তৱায়িত কৰিবলৈ আমি সকলোৱে চেষ্টা কৰিছো বুলি তেওঁ উল্লেখ কৰে।

০০০০০

ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ তথা শ্ৰম আৰু নিয়োগ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী শোভা কৰণ্ডলাজে আজি বিশ্বনাথ জিলাৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ জিলাখনৰ বিভিন্ন উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এখন সংবাদমেলত কয়, যে বিশ্বনাথ হৈছে এখন সৰু জিলা আৰু ইয়াত বিকাশৰ বহু পথ আছে। জিলাখনত মৎস্যপালন, এৰী পলু উৎপাদন, দুগ্ধ উৎপাদন আৰু মহিলা সৱলীকৰণকে ধৰি ভিন ভিন ক্ষেত্ৰত বিকাশৰ বাবে চৰকাৰে যথেষ্ট গুৰুত্ব আৰোপ কৰিছে বুলি শ্ৰীমতী কৰণ্ডলাজে উল্লেখ কৰে।

০০০০০

ৰাষ্ট্ৰীয় বিদ্যালয় সুৰক্ষা নীতি, ২০১৬ৰ অংশ হিচাপে অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত ৰাজ্যৰ ৩৫ খন জিলাৰ এহেজাৰ ৯৩৬ খন বিদ্যালয়ত দুৰ্যোগ প্ৰস্তুতি আৰু এই ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ লক্ষ্যৰে মকড্ৰিল কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। **গোলাঘাট** জিলাৰ ৮৭ খন বিদ্যালয়ত এই কাৰ্যসূচী সফলতাৰে সম্পন্ন কৰা হয়। জিলাখনৰ বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অতিৰিক্ত জিলা আয়ুক্তই উদ্বোধন কৰা এই কাৰ্যসূচীত ৰাজহ চক্ৰ বিষয়া, জিলা প্ৰকল্প বিষয়া, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ ক্ষেত্ৰ বিষয়া, অগ্নি নিৰ্বাপক আৰু জৰুৰী সেৱা বিভাগৰ কৰ্মচাৰী তথা স্কাউট আৰু গাইডৰ সদস্যসকলে অংশগ্ৰহণ

কৰে। **পশ্চিম কাৰ্বি আংলং** জিলাৰ ১৫৪ খন বিদ্যালয়ত এই প্ৰস্তুতিমূলক অনুশীলন অনুষ্ঠিত হয়। **বিশ্বনাথ জিলা**ৰো ৩৫ খন বিদ্যালয়ত ভূমিকম্পকে ধৰি আন দুৰ্যোগৰ সময়ত ল'বলগীয়া সাৱধানতা সন্দৰ্ভত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক অনুশীলন কৰোৱা হয়। **তিনিচুকীয়া** জিলাৰ বিভিন্ন বিদ্যালয়তো দিনজোৰা কাৰ্যসূচীৰে দুৰ্যোগৰ সময়ত আৰু ইয়াৰ পাছত ল'বলগীয়া সাৱধানতা বিষয়ক মকড্ৰিল কাৰ্যসূচী অনুষ্ঠিত হয়। **মৰিগাঁও** জিলাৰ ৩৮ খন বিদ্যালয়ত ভূমিকম্প আৰু অগ্নি সুৰক্ষা বিষয়ক মকড্ৰিল সফলভাৱে সম্পন্ন হয়। প্ৰায় ১৯ হাজাৰ ৫০০ শিক্ষাৰ্থীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত অনামিকা তিৱাৰীয়ে শংকৰ-মাধৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই কাৰ্যসূচীৰ উদ্বোধন কৰে। শিক্ষাৰ্থী তথা শিক্ষকসকলক দুৰ্যোগৰ সময়ত সুৰক্ষিতভাৱে উদ্ধাৰ কৰাৰ প্ৰশিক্ষণ দিয়া হয়। **গুৱাহাটী** মহানগৰীৰ ১০ খন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলক ভূমিকম্প, অগ্নিকাণ্ডকে ধৰি আন আন দুৰ্যোগৰ সময়ত ল'বলগীয়া সাৱধানতা সন্দৰ্ভত অনুশীলন কৰোৱা হয়। **শোণিতপুৰ** জিলাৰ ২৫ খন, **হোজাই** জিলাৰ ৮৭ খন, **শ্ৰীভূমি** জিলাৰ ৪০ খন বিদ্যালয়তো মকড্ৰিল কাৰ্যসূচী অনুষ্ঠিত হয়।

উল্লেখযোগ্য যে ১৯৫০ চনৰ বৰভুঁইকঁপৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ লগত সংগতি ৰাখি অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে বিদ্যালয় শিক্ষা বিভাগ আৰু ইউনিছেফ, অসমৰ সহযোগত এই মকড্ৰিল কাৰ্যসূচী অনুষ্ঠিত কৰে।

ooooo

২০২০ চনৰ বড়ো চুক্তিৰ সকলো দফা ৰূপায়ণৰ দাবীৰে আজি নিখিল বড়ো ছাত্ৰ সন্থা, এবছুৱে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। কোকৰাঝাৰত বডোফা শিশু উদ্যানৰ পৰা প্ৰতিবাদকাৰীসকলে কোকৰাঝাৰ উচ্চতৰ মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰলৈ সমদল উলিয়ায়। এবছুৱে কোকৰাঝাৰ জিলা আয়ুক্তৰ জৰিয়তে কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। আবছুৰ সভাপতি দীপেন বড়োৱে সাংবাদিকৰ আগত সংসদৰ শীতকালীন অধিৱেশনত ১২৫ সংখ্যক সংবিধান সংশোধনী বিধেয়কত অনুমোদন জনাবলৈ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি আহ্বান জনায়।

চিৰাং জিলাতো নিখিল বড়ো ছাত্ৰ সন্থাৰ জিলা গোটৰ উদ্যোগত কাজলগাঁও বজাৰৰ পৰা জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰতিবাদী সমদল উলিওৱা হয়। ছাত্ৰ সংগঠনটোৰ সাধাৰণ সম্পাদক খনিন্দ্ৰ বসুমতাৰীৰ নেতৃত্বত উলিওৱা প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে বি টি আৰ চুক্তিৰ বাকী থকা প্ৰধান দফাসমূহ পূৰণ কৰিবলৈ চৰকাৰৰ প্ৰতি দাবী জনোৱা হয়।

বাইট (খনীন্দ্ৰ)

আবছুৱে উত্থাপন কৰা দাবীসমূহৰ ভিতৰত – সংবিধানৰ ২৮০ নম্বৰ অনুচ্ছেদৰ সংশোধন, বি টি চিৰ বাহিৰত থকা বড়ো-কছাৰী লোকসকলৰ বাবে গঠিত স্বায়ত্ত শাসিত পৰিষদক পূৰ্ণ পৰ্যায়ৰ স্বীকৃতি প্ৰদান, বি টি আৰৰ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ প্ৰাদেশিকীকৰণ, শোণিতপুৰ আৰু বিশ্বনাথ জিলাৰ পৰা অতিৰিক্ত গাঁও বি টি আৰত অন্তৰ্ভুক্তিকৰণ, বন অধিকাৰ আইন-২০০৬ৰ অধীনত জনজাতীয় লোকক ভূমিপট্টা প্ৰদান আদিও আছে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ পালন কৰাৰ উদ্দেশ্যে আখৰা পূৰ্ণ গতিত চলি আছে। সন্ধিয়া বিভিন্ন অঞ্চলত স্থানীয় বয়োজ্যেষ্ঠ, যুৱক-যুৱতীসকলে ৰাসৰ আখৰা চলাই আছে। মাজুলীৰ বিভিন্ন স্থানত অহা ৪ নৱেম্বৰৰ পৰা ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। আউনীআটি সত্ৰত অহা ৬ নৱেম্বৰত

ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। জিলাখনৰ সত্ৰসমূহৰ লগতে বিভিন্ন স্থানত এইবাৰ মুঠ ৬৫ খন ৰাস অনুষ্ঠিত হ'ব। বহুকেইটা মঞ্চত শিশু ৰাস, মিছিং ভাষাৰ ৰাস, মহিলা শিল্পীৰ দ্বাৰা ৰাস পৰিবেশন কৰা হ'ব। যোৰহাট জিলাৰ ঢেকিয়াজুলি, বামুনপুখুৰী, শিৱসাগৰ জিলাৰ হাফলুটিং, খনামুখ আদি অঞ্চলত ৰাসৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। নলবাৰী হৰিমন্দিৰ, পাঠশালা, বজালী, টিহু, পাটাছাৰকুছি, শুৱালকুছি, মিৰ্জা, পলাশবাৰী, গুৱাহাটীৰ জাপৰিগোগ, নবীন নগৰ আদি অঞ্চলত ৰাস মহোৎসৱ পালন কৰাৰ বাবে প্ৰস্তুতি চলিছে। নগাঁও জিলাৰ বিভিন্ন স্থানতো ৰাস মহোৎসৱৰ আযোজন কৰা হৈছে। জিলাখনৰ পুৰণিগুদাম, দক্ষিণপাট আদি অঞ্চলত ৰাসৰ আযোজন কৰা হৈছে। ফুলগুৰি ৰাস মহোৎসৱৰ এইবাৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাসৰ আয়োজন কৰা হৈছে। লখিমপুৰ, ধেমাজী জিলাৰ বিভিন্ন স্থানতো ৰাস উৎসৱৰ প্ৰস্তুতি পূৰ্ণ গতিত চলি আছে।

ooooo

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত যোৱা ২২ অক্টোবৰৰ পৰা বঙাইগাঁও জিলাৰ গান্ধী ময়দানত অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ আজি সামৰণি পৰিব। গ্ৰন্থমেলাৰ আজি সামৰণি সভাত শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে অংশগ্ৰহণ কৰে। ডাঃ পেগুৱে তেওঁৰ ভাষণত কয়, যে গ্ৰন্থ হৈছে জ্ঞান অৰ্জনৰ অন্যতম আধাৰ। পৃথিৱীৰ প্ৰতিটো সভ্যতা নিৰ্মাণ তথা জাতি গঠনত গ্ৰন্থৰ নিৰ্ণায়ক ভূমিকা সন্দৰ্ভত শিক্ষামন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে। তেওঁ লগতে অসম গ্ৰন্থমেলা সফল কৰি তোলাৰ বাবে বঙাইগাঁওবাসীক ধন্যবাদ জনায়। অনুষ্ঠানত সাহিত্য একাডেমীৰ ভাষা উপদেষ্টা পৰিষদৰ আহ্বায়ক দিগন্ত বিশ্ব শৰ্মা আৰু ইতিহাস গৱেষক ড° গজেন্দ্ৰ অধিকাৰী বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে।

ooooo

গোলাঘাট জিলাৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত অসম চৰকাৰৰ বন বিভাগে উচ্ছেদিত স্থানত ৰোপণ কৰা গছপুলিসমূহ নগা দুৰ্বৃত্তই শেহতীয়াকৈ কাটি তহিলং কৰাক লৈ সীমান্ত অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে সীমান্তত নিয়োজিত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ শিবিৰৰ সমীপতে নগা দুৰ্বৃত্তৰ এনে কাৰ্যত বিভিন্ন দল-সংগঠনে ক্ষোভ প্ৰকাশ কৰিছে। ঘটনাস্থলীত আজি নাগালেণ্ড প্ৰশাসনৰ লগতে অসম চৰকাৰৰ বিষয়া তথা চি আৰ পি এফ বাহিনী উপস্থিত হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰে।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে পৰ্যটন নিগমৰ নিযুক্তি কেলেংকাৰীত অভিযুক্ত ৪ জনৰ অগ্ৰিম জামিন আজি নাকচ কৰে। নিযুক্তি কেলেংকাৰী সন্দৰ্ভত মুখ্যমন্ত্ৰী তদাৰকী কোষত ৰুজু হোৱা এটা গোচৰৰ ভিত্তিত অভিযুক্ত গৌতম গগৈ, নয়নমণি পামেগাম, মনালিচা গোস্বামী আৰু প্ৰাঞ্জল বৰাই অগ্ৰিম জামিন বিচাৰি আবেদন কৰিছিল।

ooooo

সমান কামৰ বাবে সমান দৰমহা আৰু চাকৰি নিয়মীয়া কৰণৰ দাবীৰে আজি ৰাজ্যৰ এন এইচ এম কৰ্মচাৰীসকলে গুৱাহাটীৰ চচলত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ৰাজ্যৰ স্বাস্থ্য খণ্ডত নিয়োজিত হৈ থকা এই কৰ্মচাৰীসকলে বিগত সময়ছোৱাত প্ৰাপ্য আদায়ৰ বাবে চৰকাৰক অনুৰোধ জনাই আহিছিল যদিও ৰাজ্য চৰকাৰে বিষয়টো সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ নকৰাত আজি চচলত সহস্ৰাধিক কৰ্মচাৰীয়ে প্ৰতিবাদ সাব্যস্ত

কৰে। চৰকাৰে এন এইচ এম কৰ্মীসকলৰ দাবী পূৰণ নকৰিলে অনাগত সময়ত প্ৰতিবাদ অব্যাহত থাকিব বুলি তেওঁলোকে ঘোষণা কৰিছে।

০০০০০

অসম ৰাজ্যিক মহিলা আয়োগৰ উদ্যোগত আজি গোৱালপাৰা চহৰৰ নটসূৰ্য ফণী শৰ্মা ভৱনত মানৱ সৰবৰাহ বিৰোধী এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত গোৱালপাৰা জিলা আয়ুক্ত প্ৰদীপ তিমুং, অতিৰিক্ত আৰক্ষী অধীক্ষক ঋতুৰাজ দলে, জিলা আইন সেৱা প্ৰাধিকাৰী সচিব জাহ্নবী দেৱীকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাই ইংলেণ্ডক জয়ৰ বাবে ৩২০ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অ'ভাৰত ৭টা উইকেট হেৰুৱাই ৩১৯ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ অধিনায়ক লওৱা ওলভাৰ্ডটে সৰ্বাধিক ১৬৯ ৰান কৰাৰ লগতে তাজমিন ব্ৰিট্‌ছে ৪৫ ৰান কৰে। ইংলেণ্ডৰ ছফি এক্লেষ্টনে চাৰিটা উইকেট দখল কৰাৰ বিপৰীতে লৰেন বেলে দুটা আৰু নাট চিভাৰ ব্ৰাণ্টে এটা উইকেট লাভ কৰে।

০০০০০

সমাপ্ত